DAILY ASSAM

# আঘোণৰ কুঁৱলী

কেশৱ মহন্ত

**পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য ঃ**

অসমীয়া কবিতাৰ আধুনিক যুগ আৰম্ভ হয় প্ৰকৃতাৰ্থত কুৰি শতিকাৰ চল্লিছৰ দশকত। এই যুগ সৃষ্টিত বিশেষ ভূমিকা পালন কৰে কমল নাৰায়ণ দেৱ আৰু চক্ৰেশ্বৰ ভট্টাচাৰ্যৰ দ্বাৰা সম্পাদিত 'জয়ন্তী' আলোচনীয়ে। 'জয়ন্তী'ৰ পৰৱৰ্তী কালত প্ৰকাশ পোৱা হেম বৰুৱা সম্পাদিত 'পছোৱা' আৰু ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য সম্পাদিত 'ৰামধেনু' আলোচনীৰ জৰিয়তে অসমীয়া কবিতাৰ আধুনিক ৰূপটিৰ বিকাশ সাধন হয়। দ্বিতীয় মহাযুদ্ধ (১৯৩৯-৪৫)ৰ ধ্বংসলীলাই কবিসকলক ৰোমাণ্টিকতাৰ পৰিৱৰ্তে বাস্তৱতাক আঁকোৱালি ল'বলৈ উদগনি যোগায়।

জয়ন্তী-গোষ্ঠীৰ কবিসকল আকৰ্ষিত হয় সাম্যবাদী ভাৱধাৰাৰ প্ৰতি। এই কবিসকলক প্ৰগতিশীল কবি বুলিও কোৱা হয়। এই কবিসকলে প্ৰধানতঃ কৃষক, শ্ৰমিক আদি সাধাৰণ শ্ৰেণীৰ জনতাৰ সুখ-দুখ আৰু সংগ্ৰামৰ ছবি অংকন কৰে। 'জয়ন্তী'ৰ পাতত কবি হিচাপে আত্মপ্ৰকাশ কৰা কেশৱ মহন্তৰ কবিতাত উক্ত ভাৱধাৰাৰ প্ৰকাশ ঘটিছে। অসমীয়া প্ৰগতিশীল কবিতাৰ এটি আভাস দিয়াৰ উদ্দেশ্যে 'আঘোণৰ কুঁৱলী' শীৰ্ষক কবিতাটি পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰা হৈছে।

কবি পৰিচিতি ঃ

কেশৱ মহন্ত (১৯২৬-২০০৬) আধুনিক কবি আৰু গীতিকাৰ হিচাপে বিখ্যাত। তেওঁ জামুগুৰিহাট হাইস্কুলত শিক্ষক হিচাপে কৰ্ম্মজীৱন আৰম্ভ কৰে আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰকাশন বিষয়া হিচাপে অৱসৰ লয়। মহন্তৰ প্ৰথম কবিতা পুথি 'আমাৰ পৃথিৱী'। পৰৱৰ্তী সময়ত 'আগন্তুক', 'তোমাৰ তেজ', 'মোৰ শুকান কলিজাৰ কুঁহিপাত', 'ৰ'দ জিকিমিকি', 'কুঁৱলী আঁতৰি যা', 'দিশ ধৱলী বৰণ', 'বুকুত এজাক ধুমুহা' আদি কাব্যগ্ৰন্থ প্ৰকাশ পায়। 'মোৰ যে কিমান হেঁপাহ' তেওঁৰ দ্বাৰা ৰচিত গীতৰ সংকলন। মহন্তই শিশুসকলৰ বাবেও সাহিত্য ৰচনা কৰিছিল। 'ওমলা ঘৰ' আৰু 'মা আমি শদিয়ালৈ যামেই' তেওঁৰ শিশুৰ বাবে ৰচিত পুথি। 'মোৰ যে কিমান হেঁপাহ' নামৰ পুথিখনৰ বাবে কেশৱ মহন্তই সাহিত্য অকাদেমি বঁটা লাভ কৰে।

মূল পাঠ ঃ

আঘোণৰ কুঁৱলীয়ে বাট ভেটি কৰিছে আমনি,
একোকে নমনি।
কুঁৱলী নথকা হ'লে দেখিলোঁহেঁতেন বা
পতা-সোণ-বৰণীয়া ধানৰ আঁচল,
দেখিলোঁহেঁতেন বা লিহিৰি লিহিৰি ঢেৰ
আঙুলিয়ে মুঠি মৰা
কেচ্ কেচ্, চিক্‌মিক্ খৰ কাচিবোৰ,
দেখিলোঁহেঁতেন বা খোপা বন্ধা মূৰবোৰ
ওপৰলে' তুলিবৰে সময় নোপোৱা।

দেখিলোঁহেঁতেন বা পতা-সোণ পথাৰত
লঘু পৰিহাসময়
হাঁহিবোৰ তেউ-হালধীয়া!

অলপ দূৰৰ পৰা নোচোৱাৰ ভাও ধৰি
চাবওতো পাৰিলোঁহেঁতেন
এইজাক দাৱনীৰ মাজতে আছিলে নেকি
সেউতীও মোৰ?
আঘোণৰ কুঁৱলীয়ে বাট ভেটি কৰিছে আমনি,
একোকে নমনি।

তথাপিও নোৱাৰিনে গম ল'ব বাৰু
এমোকোৰা তামোলৰ পিক্-ৰঙা ওঁঠে ওঁঠে
সোতৰ বছৰ হোৱা "মোক তোল অঘোণ"ৰ
ডালিমী দাঁতত
ডাঙৰি বন্ধাৰ লগ বিচাৰি, বিৰিঙা
তেল আৰু হালধিৰ
'যাঃ' বুলি ঠেলা মৰা খিল্-খিল্ হাঁহি?
আঘোণৰ কুঁৱলীয়ে কৰিছে আমনি।

আঘোণৰ পথাৰৰ দাৱনীৰ কাম আছে
মুঠি মুঠি কাচি ডাঙৰি ডাঙৰি,
কাম আছে,
আঘোণৰ পথাৰত কাম আৰু কাম।
আঘোণৰ আকাশেদি কোনোবা বিললে'
মন কাঢ়ি বন-হাঁহ জাকি মাৰি গ'ল।
আঘোণৰ আকাশতে উৰুলিৰ ৰাগি আছে,
ৰাগি আছে,
আঘোণৰ আকাশত ৰাগি আৰু ৰাগি।

আঘোণৰ বাটটোহে কুঁৰলীৰে ঢকা,
মন-হাঁহ খেদি খেদি বন শেষ হ'ল
আঘোণৰ কুঁৰলীয়ে বাট ভেটি ল'লে।
(বৌদেউ,
আপুনিয়ে কৈছিলে সেউতীৰ কথা!
মোৰ কথা সেউতীক কৈছিলে জানো?)
আঘোণৰ কুঁৰলীত ধাননি লুকালে
আঘোণৰ কুঁৰলীয়ে দাৱনী ঢাকিলে
আঘোণৰ কুঁৰলীতে সেউতী হেৰালে
ডাঙৰি বান্ধিম বুলি তৰা-জৰী তোলাতে থাকিল...

**কঠিন শব্দৰ অৰ্থ ঃ**

| | | |
|---|---|---|
| কেচ্ কেচ্ | — | কাচিৰে ধান কাটোঁতে হোৱা শব্দ। |
| বিৰিঙা | — | অলপকৈ নিগৰি ওলোৱা। |
| ডাঙৰি | — | ধানৰ সৰু সৰু মুঠি একেলগ কৰি বন্ধা ডাঙৰ মুঠা। |
| তেউ-হালধীয়া | — | (পাঠান্তৰ ঃ তেল-হালধীয়া) পাতল হালধীয়া। |
| পতা-সোণ | — | সোণাৰীয়ে পিটি পাতল কৰা সোণ। |
| 'সোতৰ বছৰ হোৱা' | — | কবিয়ে বিচাৰি যোৱা দাৱনীৰ বয়স সোতৰ বছৰ। |
| 'মোক তোল আঘোণ' | — | পকা ধানেৰে পৰিপূৰ্ণ হোৱা আঘোণক বুজাইছে। |
| উৰুলি | — | শুভ কাৰ্যত তিৰোতাসকলে কৰা ধ্বনি বিশেষ। |

ৰাগি — নিচা, মাদকতা।

তৰা-জৰী — তৰা গছৰ জৰী।

**আৰ্হি প্ৰশ্ন ঃ**

**(ক) অতি চমু প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ১)**

১। কবি কেশৱ মহন্তই কোনখন কাব্যগ্ৰন্থৰ বাবে সাহিত্য অকাদেমি বঁটা লাভ কৰিছিল?

২। কেশৱ মহন্তৰ দ্বাৰা ৰচিত এখন গীতৰ পুথিৰ নাম লিখা।

৩। 'পছোৱা' আলোচনী কোনগৰাকী সাহিত্যিকে সম্পাদনা কৰিছিল?

৪। কেশৱ মহন্তই কোনখন আলোচনীত প্ৰথমতে কবি হিচাপে আত্মপ্ৰকাশ কৰিছিল?

৫। 'আঘোণৰ কুঁৱলী' শীৰ্ষক কবিতাটিত উল্লেখ থকা 'সেউতী' কোন?

**(খ) চমু প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ২ অথবা ৩)**

১। 'জয়ন্তী'ৰ কবিসকলৰ কবিতাৰ দুটা বৈশিষ্ট্য লিখা।

২। অসমীয়া কবিতাৰ আধুনিক যুগ সৃষ্টিত বিশেষ অৰিহণা যোগোৱা তিনিখন আলোচনীৰ নাম লিখা।

৩। কেশৱ মহন্তৰ দুখন কবিতা পুথিৰ নাম লিখা।

৪। 'আঘোণৰ পথাৰত কাম আৰু কাম।' — কবিয়ে আঘোণৰ পথাৰত থকা কি 'কাম'ৰ বিষয়ে ইংগিত কৰিছে?

৫। 'উৰুলি' আৰু 'ৰাগি' শব্দ দুটাৰ অৰ্থ লিখা।

**(গ) দীঘল প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ৪ অথবা ৫)**

১। আঘোণৰ কুঁৱলীয়ে কবিক কিদৰে আমনি কৰিছে বুজাই লিখা।

২। আঘোণৰ পথাৰৰ মন পৰশা চিত্ৰ 'আঘোণৰ কুঁৱলী'ত কেনেদৰে প্ৰকাশ পাইছে আলোচনা কৰা।

৩। 'আঘোণৰ কুঁৱলী' শীৰ্ষক কবিতাটিত সহজ-সৰল প্ৰেমৰ চিত্ৰ কেনেদৰে অংকিত হৈছে বুজাই লিখা।

৪। 'আঘোণৰ কুঁৱলী'ত কবিৰ অন্তৰৰ বিষাদবোধ কিদৰে প্ৰকাশ পাইছে বুজাই লিখা।

৫। প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা।

(ক) আঘোণৰ পথাৰৰ দাৱনীৰ কাম আছে
মুঠি মুঠি কাচি ডাঙৰি ডাঙৰি,
কাম আছে,
আঘোণৰ পথাৰত কাম আৰু কাম।

(খ) আঘোণৰ আকাশতে উৰুলিৰ ৰাগি আছে,
ৰাগি আছে,
আঘোণৰ আকাশত ৰাগি আৰু ৰাগি।

(গ) আঘোণৰ কুঁৱলীত ধাননি লুকালে
আঘোণৰ কুঁৱলীয়ে দাৱনী ঢাকিলে
আঘোণৰ কুঁৱলীতে সেউতী হেৰালে
ডাঙৰি বান্ধিম বুলি তৰা-জৰী তোলাতে থাকিল.......

**পাঠবোধ ঃ**

গাঁৱলীয়া কৃষক জীৱনৰ সহজ-সৰল চিত্ৰ এটি 'আঘোণৰ কুঁৱলী' শীৰ্ষক কবিতাটিত অংকিত হৈছে। আঘোণৰ পথাৰৰ সোণবৰণীয়া ধাননিয়ে সৃষ্টি কৰা মনোমোহা পৰিৱেশে কবিৰ প্ৰেমিক মনটিক বাৰুকৈয়ে আকৰ্ষিত কৰিছে। তেওঁ ভালপোৱা সেউতী নামৰ গাভৰুজনী সেই পথাৰতে ধান দাই আছে নেকি চাবলৈ কবিৰ মন উদগ্ৰীৱ হৈ পৰিছে। কিন্তু কুঁৱলীয়ে বাট-পথ ঢাকি ৰখাত একোকে দেখা নাপালে। সেই বাবে কবিৰ মন বিষাদেৰে ভৰি পৰিল।

**ওপৰঞ্চি তথ্য ঃ**

'আঘোণৰ কুঁৱলী' কবিতাটি একাধিক কাব্য সংকলনত সংকলিত হৈছে। ড° মহেশ্বৰ নেওগৰ দ্বাৰা সম্পাদিত 'সঞ্চয়ন'ৰ পৰা এই পাঠটি লোৱা হৈছে।

**শিক্ষকৰ প্ৰতি ঃ**

শাওণ আৰু কাতি মাহৰ পথাৰ সম্পৰ্কে ছাত্ৰ-ছাত্ৰীক আভাস দিব আৰু সেই বিষয়ৰ দুটি কবিতা ৰচনা কৰিবলৈ উৎসাহিত কৰিব।

●●●

DAILY ASSAM